No. of Printed Pages—4

755 (ASM3B)

[20-HRGPNW–D3S(N)21A]

BA 3rd Semester (New) Exam., 2020 (W)

ASSAMESE

[GAS 03-02 (M)]

(অসমীয়া কবিতা)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

1. তলৰ প্ৰশ্নসমূহৰ অতি চমু উত্তৰ লিখক : 1×8=8

(a) ইছলাম ধৰ্মৰ মূল ভিত্তি কেইটা আৰু কি কি ?

(b) তলত উল্লেখ কৰা শব্দকেইটাৰ অৰ্থ লিখক :
আশ্বাসি, ভুঞ্জে, স্ৰৱে, দ্ৰৱৈ।

(c) পীতাম্বৰ কবিয়ে ৰচনা কৰা কাব্যকেইখনৰ নাম লিখক।

(d) 'লিৰিকেল বেলাডচ্' পুথিখন কাৰ সম্পাদনত, কিমান চনত প্ৰকাশ পাইছিল ?

(e) কিমান চনত, কোনখন কাকতত অমূল্য বৰুৱাৰ প্ৰথমটো কবিতা প্ৰকাশিত হৈছিল ?

(f) 'পলাশৰ জুই নুমাল এতিয়া' বুলি কৈ কবিয়ে কি বুজাবলৈ বিচাৰিছিল ?

(g) কেশৱ মহন্তৰ কবিতাৰ দুটা প্ৰধান বৈশিষ্ট্য উল্লেখ কৰক।

(h) অজিৎ বৰুৱাই অনুবাদ কৰা দুখন কবিতাপুথিৰ নাম লিখক।

2. খালী ঠাই পূৰণ কৰক : 1×4=4

(a) _____ প্ৰবন্ধ সংকলনৰ বাবে অজিৎ বৰুৱাই অসম সাহিত্য সভাৰ 'অম্বিকাগিৰী ৰায়চৌধুৰী বঁটা' লাভ কৰিছিল ।

(b) 'তোমাৰ তেজ' কবিতাপুথিৰ বাবে কেশৱ মহন্তই _____ চনত অসম সাহিত্য সভাৰ 'ৰঘুনাথ চৌধাৰী বঁটা' লাভ কৰিছিল ?

(c) নৱকান্ত বৰুৱাৰ প্ৰথমখন কবিতাপুথি 'হে অৰণ্য, হে মহানগৰ' প্ৰকাশ পাইছিল _____ চনত ।

(d) ১৯৫৪ চনত অনুষ্ঠিত অসম সাহিত্য সভাৰ ত্ৰয়োবিংশ অধিৱেশনত _____ সভাপতিত্ব কৰিছিল ।

3. শুদ্ধ উত্তৰটো নিৰ্বাচন কৰক : 1×4=4

(a) কোনখন কাকতত অমূল্য বৰুৱাৰ প্ৰথম কবিতাটো প্ৰকাশ পাইছিল ?

(i) মৌ

(ii) আৱাহন

(iii) বাঁহী

(iv) জয়ন্তী

(b) তলত উল্লেখ কৰা কোনখন নলিনীবালা দেৱীৰ কবিতাপুথি নহয় ?

(i) যুগদেৱতা

(ii) অলকানন্দা

(iii) শেষ পূজা

(iv) অন্তিম সুৰ

(c) 'চিত্ৰলেখাৰ পট নিৰ্মাণ' কবিতাটোৰ মতে চিত্ৰলেখাই পোনপ্ৰথমে পট নিৰ্মাণ কৰিছিল

(i) পুৰন্দৰৰ

(ii) মহেশ্বৰৰ

(iii) ব্ৰহ্মাৰ

(iv) কৃষ্ণৰ

(d) শংকৰদেৱে ৰচনা কৰা 'বৰ্ষা বৰ্ণন' কবিতাংশ তেওঁ ৰচনা কৰা কোনখন গ্ৰন্থত অন্তৰ্ভুক্ত ?

(i) 'কীৰ্তন'

(ii) 'ৰুক্মিণী হৰণ কাব্য'

(iii) 'গুণমালা'

(iv) 'আদি দশম'

4. তলৰ যি কোনো **পাঁচটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৫০ শব্দৰ ভিতৰত) : 2×5=10

(a) 'পানী মৰে পিয়াহত, অগ্নি মৰে জাৰত'— এই কথাখিনিৰে জিকিৰটোত কি বক্তব্য প্ৰকাশ কৰিব বিচাৰিছে ?

(b) 'বৰ্ষা বৰ্ণন'ত মানৱ চিত্তৰ বিভিন্ন অৱস্থাৰ লগত প্ৰকৃতিৰ বিভিন্ন চিত্ৰ আৰু দৃশ্যৰ ৰিজনি কবিয়ে কেনেদৰে কৰিছে ?

(c) 'পানীয়েই জগতৰ প্ৰাণ।' এই ধাৰণাটি 'বৰ্ষা বৰ্ণন' কবিতাটোত কেনেদৰে প্ৰকাশ পাইছে, লিখক।

(d) 'চিত্ৰলেখাৰ পট নিৰ্মাণ' কবিতাটোত ঊষা চৰিত্ৰটো কেনেদৰে বৰ্ণিত হৈছে, চমুকৈ লিখক।

(e) 'চিত্ৰলেখাৰ পট নিৰ্মাণ' কবিতাটোত কবিয়ে কেনেদৰে শ্ৰীকৃষ্ণ ৰূপৰ বৰ্ণনা দিছে সেৱা নিজৰ ভাষাত লিখক।

(f) লক্ষ্মীনাথ বেজবৰুৱাৰ সমগ্ৰ কবিতাৰাজিৰ বিচাৰ-বিশ্লেষণ কৰিলে আমি কি কি ধাৰা দেখিবলৈ পাওঁ ?

5. তলৰ যি কোনো **ছয়টা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ১২০ শব্দৰ ভিতৰত) : 4×6=24

(a) 'প্ৰাণ গোপাল, গোপাল তই পাতিলি'— লোকগীতিক আধাৰ হিচাপে লৈ এই ধাৰাৰ গীতসমূহৰ দাৰ্শনিক তত্ত্ব সম্পৰ্কে আলোচনা আগবঢ়াওক।

(b) প্ৰসংগ-সংগতি দৰ্শাই ব্যাখ্যা কৰক :

''নতুন প্ৰাণৰ
ন চকুযুৰি
দীপিতি ঢালি দে তাত
পুৰণি পৃথিৱী
নকৈ চাই লওঁ
হে বীণ! এষাৰি মাত।''

(c) 'পৰম তৃষ্ণা' এটি অতীন্দ্ৰিয়বাদী কবিতা, যুক্তি আগবঢ়াওক।

(d) 'আন্ধাৰৰ হাহাকাৰ' কবিতাটোৰ মাজত কবিৰ সমাজৰ প্ৰতি দৃষ্টিভংগী কেনেদৰে প্ৰকাশ পাইছে, লিখক।

(e) 'পলস' কবিতাটোৰ মাজত আধুনিক কবিতাৰ বৈশিষ্ট্য কেনেদৰে প্ৰকাশ পাইছে, লিখক।

(f) 'সোণজিৰা মাহীৰ নাড়ী' কবিতাটোৰ মাজত কবিৰ প্ৰগতিশীল ভাবধাৰা কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰক।

(g) ''নাৱৰ টিঙত শুই
তৰা আৰু বোকা একেলগে দেখি!
বাঘৰ গোজৰ ম'হৰ ঘণ্টা জলকুঁৱৰীৰ গীত
একেলগে বাজে বেসুৰা সুৰীয়াকৈ!!''

এই কবিতাংশৰ মাজেৰে কবিয়ে কি বুজাব বিচাৰিছে, আলোচনা কৰক।

6. তলৰ যি কোনো **পাঁচটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ২০০ শব্দৰ ভিতৰত) : 6×5=30

(a) নীলমণি ফুকনৰ 'ব্ৰহ্মপুত্ৰত সূৰ্য্যাস্ত' কবিতাটোৰ মাজত আধুনিকতাবাদৰ বৈশিষ্ট্যসমূহ কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰক।

(b) 'দহিকতৰা' কবিতাটোৰ আধাৰত ৰঘুনাথ চৌধাৰীৰ প্ৰকৃতি বৰ্ণনাৰ এটি আলচ যুগুত কৰক।

(c) ৰোমাণ্টিক কবিতা আৰু আধুনিক কবিতাৰ মাজত আংগিকগত আৰু বিষয়বস্তুগত দিশত কি কি বৈপৰীত্য আছে তাৰে এটি তুলনামূলক আলচ যুগুত কৰক।

(d) 'ৰাম বিহীন অযোধ্যাৰ বৰ্ণনা' কবিতাংশৰ কাব্যিক সৌন্দৰ্য বিচাৰ কৰক।

(e) আপোনাৰ পাঠ্য বিষয়ত অন্তৰ্ভুক্ত চৰ্যাকেইটাৰ আধাৰত চৰ্যাপদৰ বিষয়বস্তু সম্পৰ্কে আলোকপাত কৰক।

(f) 'ধিকো ধিকো মইষাল ৰে' গীতটিৰ আধাৰত গোৱালপৰীয়া লোকগীত সম্পৰ্কে আলোচনা কৰক।

★ ★ ★